**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত হব। কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হব। তৃতীয় বৰ্গৰ মুঠ ৪ হেজাৰ ৫৫ টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালক পদৰ বাবে মুঠ ৮১৮ টা পদৰ পৰীক্ষাত ২ লাখ ৪ হেজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে যাৱতীয় নীতি নিৰ্দেশনা জাৰি কৰিছে।

এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে স্বাভাৱিকভাৱে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি তালাচী চলোৱাৰ সময়ত প্ৰাৰ্থীগৰাকী অসুবিধাৰ সন্মুখীন হয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। প্ৰৱেশপত্ৰ, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰা হৈছে। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR ছীটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে।

যোৰহাট জিলাতো কাইলৈ হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে যোৰহাট আৰক্ষীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

কৰিমগঞ্জ জিলাত এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে প্ৰাৰ্থীসকলক প্ৰয়োজনীয় নিয়মাৱলী আৰু জৰুৰীৰ তথ্য সম্পৰ্কে অৱগত কৰিছে। এই অনুসৰি প্ৰাৰ্থীসকলে মোবাইল ফোন, অন্য কোনো বৈদ্যুতিন আহিলা, ষ্টৰেজ মিডিয়া ডিভাইছ, ব্লুটুথ, এয়াৰ ফোন আদি পৰীক্ষা গৃহলৈ লৈ যাব নোৱাৰিব বুলি কোৱা হৈছে। প্ৰৱেশপত্ৰৰ বাহিৰে আধাৰ কাৰ্ড, কলম, পৰিচয় পত্ৰ, লেবেল নথকা পানীৰ বতল, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ ইত্যাদি গ্ৰহণযোগ্য হ'ব বুলি কোৱা হৈছে। এই নিৰ্দেশনাসমূহ উলংঘা কৰা ব্যক্তিক অসম ৰাজহুৱা পৰীক্ষা আইন ২০২৪ ৰ ধাৰা অনুসৰি শাস্তি বিহা হ'ব বুলি কোৱা হৈছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহতো এই পৰীক্ষাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পৰীক্ষাৰ সময়ছোৱাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ উপৰি সমগ্ৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পৰহিলৈৰ পৰা কৰিবলগীয়া ৯ দিনীয়া বিদেশ ভ্ৰমণ কাৰ্যসূচীৰ সময়ত ড° ক্লাউডিয়া শ্বেইনবামৰ মেক্সিকোৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যেৰে আজি দিল্লীৰ পৰা শ্ৰী মাৰ্ঘেৰিটাই মেক্সিকো অভিমুখে ৰাওনা হ'ব। ইয়াৰ উপৰি এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে মেক্সিকো, গ্ৰেণাডা, বাৰ্বাডোছ আৰু এণ্টিগুয়া তথা বাৰ্বুডালৈ আনুষ্ঠানিকভাৱে ভ্ৰমণ কৰিব। ৫ খন দেশলৈ শ্ৰী মাৰ্ঘেৰিটাৰ এই তাৎপৰ্যপূৰ্ণ ভ্ৰমণকালত ৰাজনৈতিক, ব্যৱসায়িক

তথা শৈক্ষিক বিষয়ত ভাৰতীয় মূলৰ নাগৰিকসকলৰ সৈতে বাৰ্তালাপ কৰা হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা প্ৰেছ বিজ্ঞপ্তিযোগে অৱগত কৰে। মন্ত্ৰালয়ে এই ভ্ৰমণকালত ভাৰত আৰু লেটিন আমেৰিকা তথা কেৰিবিয়ান দেশসমূহৰ আন্তঃসম্পৰ্ক আৰু অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ লগতে গ্ল'বেল ছাউথৰ অংশীদাৰসকলৰ সৈতে অধিক সহযোগিতাৰ পথ মুকলি হ'ব বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আশা ব্যক্ত কৰিছে।

০০০০০০

————অসম চৰকাৰে কৃষকসকলক তেওঁলোকৰ শস্য জমা কৰাত সুবিধা প্ৰদানৰ লগতে বিত্তীয় সাহায্য প্ৰদানৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৱেৰহাউচ ৰিছিপ্ত ফাইনেন্সিং শীৰ্ষক এই ব্যৱস্থাৰ দ্বাৰা কৃষকসকলে দুটাকৈ সুবিধা লাভ কৰিব। কৃষি উৎপাদিত সামগ্ৰীসমূহৰ সঠিক সংৰক্ষণ আৰু সংৰক্ষিত সামগ্ৰীৰ মূল্যৰ বিপৰীতে ঋণ প্ৰদান কৰা হব। ইতিমধ্যে কৃষকসকলক ১২ লাখ ৬০ হাজাৰ টকাৰ ঋণ এই আঁচনিৰ অধীনত প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে। ইয়াৰ সহায়ত কৃষকসকলে শস্য জমা কৰাৰ বাবে আধুনিক গুদামঘৰ লাভ কৰাৰ উপৰি কৃষকসকলক উন্নত বজাৰ লাভ কৰিব পৰাকৈ সময়মতে বিক্ৰী কৰাত সহায় কৰিব।

০০০০০০০

————কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কটন বিশ্ববিদ্যালয়ত আয়োজিত তৃতীয় ভাৰত-জাপান শিক্ষা সন্মিলনত অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত শ্ৰী ৰিজিজুৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে জাপানৰ সৈতে আন্তঃসম্পৰ্ক ত্বৰান্বিত কৰিবলৈ সমৰ্থ হৈছে। এই আন্তঃসম্পৰ্কত শিক্ষা এটা মূল চালিকা শক্তি বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শিক্ষা, বাণিজ্য আৰু সাংস্কৃতিক ক্ষেত্ৰত এই মিত্ৰতাই সৰ্বসাধাৰণৰ জীৱনো স্পৰ্শ কৰা বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে উত্তৰ-পূব ভাৰতৰ শিক্ষাৰ্থীসকলে দুয়োখন দেশৰ মাজৰ অংশীদাৰী শিক্ষা ব্যৱস্থাৰ সুবিধা লোৱা উচিত। ভাৰত আৰু জাপানৰ শৈক্ষিক অংশীদাৰিত্বই যৌথ গৱেষণাৰ লগতে উদ্ভাৱনী সুযোগসমূহৰ বিকাশতো সহায় কৰিব বুলি শ্ৰী ৰিজিজুৱে আশা প্ৰকাশ কৰে। ভাৰত-জাপান বাণিজ্যিক পৰিষদ বিবেকানন্দ কেন্দ্ৰ সাংস্কৃতিক প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত আয়োজিত এই সন্মিলনত শিক্ষা মন্ত্ৰী ৰণোজ পেগুকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**